নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

যোৰহাট সংস্কৰণ মুঠ পৃষ্ঠা ১২

৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ ত্ৰয়োদশ বছৰ সংখ্যা ২৮৮ দেওবাৰ ১৫ ভাদ ১৯৪৬ শক ১ ছেপ্টেম্বৰ ২০২৪ চন ASOMIYA KHABAR JORHAT SUN

ধায়কক সমষ্টিত

বিধানসভ



## ইউনেস্ক'ৰে বুজাবুজি চুক্তি ডুমডুমা মহাবিদ্যালয়ৰ

আমাৰ খবৰ, ডুমডুমা, ৩১ আগষ্ট ঃ ডুমডুমা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ আৰু ইউনেস্ক' এছ'চিয়েচন, গুৱাহাটীৰ সহযোগত 'ৰাষ্ট্ৰসংঘৰ বহনক্ষম উন্নয়নৰ লক্ষ্য' শীৰ্ষক এখন আলোচনা-চক্ৰ যোৱা ৩০ আগষ্টত অনুষ্ঠিত হয়। ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই আদৰণী ভাষণেৰে আৰম্ভ কৰা আলোচনা-চক্ৰখনত মূল বক্তৃতা প্ৰদান কৰে ড° অশ্বিনী শৰ্মাই। ডিব্ৰুগড় হনুমান বক্স সুৰুজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা স্বচ্ছ ভাৰত অভিযানৰ ব্ৰেণ্ড এম্বেচাদৰ ড° শশীকান্ত শইকীয়াই শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। ডিব্ৰুগড় প'লিটেক্নিক প্ৰতিষ্ঠানৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° প্ৰণৱজ্যোতি লহকৰে বিষয়বস্তুৰ সম্পৰ্কত বিতংকৈ ব্যাখ্যা আগবঢ়ায়। উক্ত অনুষ্ঠানতে আয়োজিত এক বুজাবুজি চুক্তিৰ বিষয়ত আলোকপাত কৰা হয়। আলোচনা-চক্ৰৰ অন্তত ইউনেস্ক' এছ'চিয়েচন, গুৱাহাটী আৰু ডুমডুমা মহাবিদ্যালয়ৰ মাজত দুখন বুজাবুজি চুক্তিৰ স্বাক্ষৰিত হয়। প্ৰথম চুক্তি অনুসৰি এতিয়াৰে পৰা মহাবিদ্যালয়খনে ইউনেস্ক'ৰ সৈতে বিভিন্ন দিশত কাৰ্য পৰিচালনা কৰিব পাৰিব। আন এক চুক্তি অনুসৰি ইউনেস্ক'ৰ সহযোগত মহাবিদ্যালয়ত ইউ এন অ' দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশ সম্পৰ্কীয় এটি ছমহীয়া পাঠ্যক্ৰম আৰম্ভ কৰা হ'ব। য'ত ছাত্ৰ-ছাত্ৰীসকলে দক্ষতা, সংস্থাপন আদিৰ দিশত সহায়ক হ'ব। দুয়োখন গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰৰ পাছত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই সকলোকে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে দুয়োটা অনুষ্ঠানে যুটীয়াভাৱে অনাগত দিনত কাম কৰাৰো অংগীকাৰবদ্ধ হয়।



## ডাঙৰী সামূহিক স্বা ৰোগীক চিকিৎস

### সৰৱ পৰি

আমাৰ খবৰ, ডুমডুমা, ৩১ আগষ্ট ঃ দৰিদ্ৰ-দুখীয়া মানু বিনামূলীয়া চিকিৎসা সেৱা প্ৰদানৰ কথাৰে ৰাজ্যত স্ব খণ্ডৰ আমূল পৰিৱৰ্তন হোৱা বুলি দাবী কৰা স্বাস্থ্যম বিৰুদ্ধে তিনিচুকীয়া জিলাৰ ডাঙৰী সামূহিক স্বাস্থ্য কে পৰিচালনা সমিতিৰ নেতৃবৰ্গ সৰৱ হৈ উঠি চিকিৎসালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি বি সোণোৱালে যোৱা ৩০ আগষ্টত তিনিচুকীয়া যুটীয়া সঞ্চালকক প্ৰদান কৰা দাবী পত্ৰত এনেদৰে উল্লেখ ক যে, প্ৰায় ১৯৫২-৫৩ চনতে ৰাইজৰ দান-বৰঙ তিনিচুকীয়া জিলাৰ ডাঙৰীত প্ৰতিষ্ঠা লাভ কৰা ছাবচিড ডিছপেনছেৰীখনে পৰৱৰ্তী সময়ত বিভিন্ন ঘাত-প্ৰতিঘ মাজেৰে পাৰ হৈ ১৯৬০ চনত ডাঙৰী ৰাজ্যিক চিকিৎস আৰু ১৯৮৫ চনত ডাঙৰীৰ এই ৰাজ্যিক চিকিৎসালয়খ ৩০ খন বিছনাযুক্ত সামূহিক চিকিৎসালয় চিএইছ উন্নীত কৰা হ'ল যদিও আজিও যেন এশ-এবুৰি সমস